Students union body in collaboration with NSS celebrated international peace day on 21st September,2021 in the college.






দেশ-জাতিৰ স্বাৰ্থত উৎসৰ্গিত

RNI No. : ASSASS/2007/22576
Postal Regn. No. G-1/RN/DR-458/2009-2011

# দৈনিক প্ৰতিক্ষণ

PRATIKSHAN pratikshannews@gmail.com DIBRUGARH

অসমৰ একমাত্ৰ সান্ধ্য বাতৰি ডিব্ৰুগড়, চতুৰ্দশ বছৰ □ সংখ্যা ৩১৯ □ ২১ ছেপ্টেম্বৰ, মঙলবাৰ □ ৪ আহিন, ১৯৪৩ শক, SEP 21, 2021

**আহিনৰ পদূলিত শৰতৰ দুভৰি**

দীপালী লাহন দিহিঙীয়া

শৰত সমান নাহি সুখকাল
হবে দুখ অনুক্ৰমে
(শ্ৰীমন্ত শংকৰদেৱ)

বসন্তৰ আগমনৰ লগে লগে যিদৰে প্ৰকৃতিৰ বুকুত নৱচেতনাৰ উন্মেষ ঘটে ঠিক সেইদৰে শৰতৰ আগমনে প্ৰকৃতিৰ ৰূপ শান্ত আৰু স্নিগ্ধ কৰি মানুহৰ মনত বিস্ময় আৰু আনন্দ জগাই তোলে। বৰষাৰ ভাৰাকান্ত মনবোৰ (দুই পৃষ্ঠাত)

**সৰ্বত্ৰে ব্যাপক চাঞ্চল্য ঃ আৰু অধিক জালত পৰাৰ সম্ভাৱনা**

## ৰাজ্যত ৪৫০ মাটিৰ দালালক আটক

ষ্টাফ ৰিপ'ৰ্টাৰ ঃ অসমৰ বিভিন্ন প্ৰান্তৰ লগতে শিলচৰতো মাটিৰ দলালৰ বিৰুদ্ধে অভিযান। শিলচৰ আৰক্ষীয়ে ভূ-মাফিয়াসহ অনান্য দালালৰ বিৰুদ্ধে চলাইছে অভিযান। আৰক্ষীয়ে আটক কৰিছে ব্যৱসায়ী সঞ্জয় নাহাটাসহ ৫ জন দালালক। সঞ্জয় নাহাটা শিলচৰৰ আগশাৰীৰ নাহাটা টেক্সটাইলৰ স্বত্বাধিকাৰিৰ পুত্ৰ। আটক কৰা সকলৰ মাজত আছে নিশিকান্ত সৰকাৰ, অসীম দাস। অসীম দাস বিজেপিৰ প্ৰাক্তন ৱাৰ্ড কমিছনাৰ। আৰক্ষীয়ে শীঘ্ৰেই (দুই পৃষ্ঠাত)

**৪ অক্টোবৰতৰাজ্যসভাৰ নিৰ্বাচন**

## কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মনোনয়ন দাখিল

ষ্টাফ ৰিপ'ৰ্টাৰ ঃ ৰাজ্য সভাৰ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কেন্দ্ৰিয় কেবিনেট মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ। সোণোৱালে দিছপুৰৰ অসম বিধানসভাত দাখিল কৰিছে মনোনয়ন। ৪ অক্টোবৰত অনুষ্ঠিত হ'ব (দুই পৃষ্ঠাত)

## গ্ৰীণউড চাহ বাগিচাত যুৱ সাংবাদিকতাৰ কৰ্মশালা সম্পন্ন

ষ্টাফ ৰিপ'ৰ্টাৰ ঃ ডিব্ৰুগড় জিলাৰ লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত গ্ৰীণ উড চাহ বাগিচাত অলপতে ইউনিচেফৰ উদ্যোগত আৰু অসম শাখা ভাৰতীয় চাহ সন্থা (এবিটা)ৰ সহযোগত যুৱ সাংবাদিকতাৰ ওপৰত এক কৰ্মশালা অনুষ্ঠিত হৈ যায়। গ্ৰীণ উড চাহ বাগিচাৰ ওমলা ঘৰত (দুই পৃষ্ঠাত)

শিৱসাগৰত মনজিৎ বৰাক শ্বহীদ সাংবাদিক কমলা শইকীয়া সোঁৱৰণী বঁটা প্ৰদান

## মিচিং কেবাঙৰ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি

**সমিতি গঠন**

ষ্টাফ ৰিপ'ৰ্টাৰ ঃ সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ বাবে প্ৰস্তুতি চলাইছে ডিব্ৰুগড় মিচিংসকলৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান ডিব্ৰুগড় টাউন মিচিং কেবাঙে। ১৯৭১ চনৰ চৰ অক্টোবৰত গঠন হোৱা ডিব্ৰুগড় টাউন মিচিং কেবাঙৰ সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ বাবে দেওবাৰে ডিব্ৰুগড় মিলন নগৰস্থিত মুৰংঘৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। ডিব্ৰুগড় টাউন মিচিং কেবাঙৰ ভাৰপ্ৰাপ্ত সভাপতি ধৰ্মকান্ত পেগুৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উদ্দেশ্যে ব্যাখ্যা কৰে সোণালী জয়ন্তী বৰ্ষৰ প্ৰাককলন প্ৰস্তুত কমিটিৰ আহ্বায়ক তথা (দুই পৃষ্ঠাত)

## অসমত আন্তঃৰাজ্যিক পাৰ পত্ৰ প্ৰৱৰ্তনৰ দাবীত এ জে ৱাই চি পিৰ চাইকেল ৰেলী

ষ্টাফ ৰিপ'ৰ্টাৰ ঃ অসমত আন্তঃ ৰাজ্যিক পাৰ পত্ৰ প্ৰৱৰ্তনৰ দাবীত ২০০০ কিঃ মিটাৰ বাইচাইকেল ৰেলী অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দুই সংগ্ৰামী সতীৰ্থ। অসম জাতীয়তাবাদী যুৱ পৰিষদে সুদীৰ্ঘ চল্লিশ বছৰধৰি অসমত আন্তঃ ৰাজ্যিক পাৰ পত্ৰ প্ৰদানৰ বাবে দাবী জনাই আহিছে। এই দাবীক ন্যায্য প্ৰাপ্তিৰ দাবী হিচাপে বৰ্তমান জনসাধাৰণৰ মাজত প্ৰচাৰ কৰা উদ্দেশ্য সুদুৰ নলবাৰী জিলা সমিতিৰ পৰা দুজন পৰিষদৰ সদস্যই ২০০০ কিঃ মিটাৰ বাইচাইকেল (দুই পৃষ্ঠাত)

## মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ত বিশ্ব শান্তি দিৱস পালন

ষ্টাফ ৰিপ'ৰ্টাৰ ঃ উজনি অসমৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সমাজ সেৱা গোট আৰু ছাত্ৰী একতা সভাৰ যুটীয়া উদ্যোগত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিশ্ব শান্তি দিৱস পালন কৰা হয়। ডিব্ৰুগড় জিলাৰ মহাবিদ্যালয়সমূহৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (দুই পৃষ্ঠাত)

**তেলৰ সলনি পানী ঃ উত্তপ্ত তেল ডিপু**

নগীৰৰ জাজৰিৰ এটা তেল ডিপোত সোমবাৰে নিশ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে ডেকা উপাধিৰ ন-মাটি গাঁৱৰ এজন যুৱকে জাজৰিৰ ইণ্ডিয়ান অইলৰ তেল ডিপোত সোমবাৰে সন্ধ্যা নগদ ১৮০০ টকাৰ পেট্ৰল নিজৰ ছুইফট ডিজায়াৰ বাহনখনত (দুই পৃষ্ঠাত)